# বোনাচ প্ৰদান আইন-১৯৬৫

১৯৫৪ চনত চাহ শিল্পই যথেষ্ট লাভ কৰিলে আৰু ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছে (আই,এন,টি,ইউ,চি,) মালিক সন্থাসমূহক বাগিচাৰ মজদুৰক বোনাচ প্ৰদান কৰিবলৈ দাবী জনালে। বহুদিন ধৰি চলা আলোচনাৰ পাছত ১৯৫৫ চনত সংঘৰ সৈতে এখন চুক্তি স্বাক্ষৰিত হ'ল আৰু চাহ শিল্পত নিযুক্ত শ্ৰমিক সকলে প্ৰথম বাৰৰ বাবে বোনাচ লাভ কৰিলে।

১৯৫৬ চনৰ পৰা বিভিন্ন চুক্তিৰ যোগেদি ১৯৬৩ চনলৈকে চাহ শ্ৰমিকসকলে বিভিন্ন হাৰত বোনাচ পালে। বোনাচৰ বাবে অন্যান্য শিল্প উদ্যোগসমূহতো শিল্প বিবাদ বাঢ়ি যোৱাৰ ফলত ভাৰত চৰকাৰে ১৯৬১ চনত বোনাচ কমিচন বহুৱালে। এই কমিচনৰ প্ৰতিবেদন অনুসৰি ১৯৬৪ চনত এখন ব্যৱস্থা বিধি (Ordinance)ৰ যোগেদি বোনাচ দিয়া নিয়ম এখন আইনৰ অন্তৰ্ভুক্ত কৰা হয় আৰু ১৯৬৫ চনত Payment of Bonus Act পাৰ্লিয়ামেণ্টে পাছ কৰে।

বোনাচ আইনখনৰ বিষয় সম্পৰ্কে জানিবলগীয়া কিছুমান কথা ঃ-

১। **দৰমহা ঃ** দৰমহা বুলিলে শ্ৰমিকসকলৰ যাৱতীয় পাৰিশ্ৰমিক বুজায়। কিন্তু তলত দিয়া উপাৰ্জন পাৰিশ্ৰমিক দৰমহাৰ ভিতৰত নপৰে।

(ক) অতিৰিক্ত কামৰ বাবে মজুৰি (অভাৰ টাইম)

(খ) সাময়িকভাৱে দিয়া কোনো নগদ টকা

(গ) বিনামূলীয়া বাসস্থান মূল্য

(ঘ) ভ্ৰমণ ভাট্টা

(ঙ) পি, এফ, বা পেন্সন ফাণ্ড কৰ্তনৰ বাবে জমা দিয়া মালিকৰ অংশ

(চ) কৰ্মহীনতাৰ ক্ষতিপূৰণ, গ্ৰেচ্যুইটি

(ছ) কমিচন ইত্যাদি।

২। যিকোনো উদ্যোগত কমেও ২০ জন বা ততোধিক শ্ৰমিক যিকোনো সময়ত নিযুক্ত থাকিলেই আইনখন তাত প্ৰযোজ্য হ'ব। ইয়াত স্থায়ী বা অস্থায়ী কোনো কথা উত্থাপন হ'ব নোৱাৰে।

৩। একেটা কোম্পানীৰ অধীনত ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত ব্যৱসায় প্রতিষ্ঠান
বাগিচা আদি থাকিলে আৰু গোটেই হিচাপ পত্ৰ একেখন বেলেঞ্চ শ্বীট
আৰু একেখন লাভ লোকচানৰ একাউণ্টৰ যোগেদি অংশীদাৰসকলৰ
আগত দাঙি ধৰিলে সি একেটা প্রতিষ্ঠান বুলি গণ্য হ'ব।

৪। লাভ-লোকচানৰ খতিয়ানৰ পৰা বোনাচৰ কাৰণে লাভ-লোকচান
পৰিমাণ উলিয়াওঁতে বোনাচ আইনৰ সংশ্লিষ্ট তালিকা মতে যোগ
বিয়োগ কৰি বিতৰণ যোগ্য ওপৰঞ্চি খিনি হিচাপ কৰিব লাগিব।

৫। বোনাচৰ পৰিমাণ ঘোষণা কৰাৰ সময়ত এই হিচাপ শ্ৰমিকক ব
তেওঁলোকৰ সংঘক আইনত থকা তালিকা অনুসৰি দিব লাগিব। অৱশে
এই চৰ্তটো শ্ৰমিকসকলে বিচাৰিলে বা বোনাচৰ পৰিমাণ সম্পৰ্কে মনত
আসোঁৱাহ থাকিলেহে দিয়াৰ নিয়ম।

৬। লাভ-লোকচানৰ খতিয়ান আৰু বিতৰণ যোগ্য উপৰঞ্চি হিচাপত কিব
ভুল ভ্ৰান্তি দৰ্শাবলৈ হ'লে তথ্য-পাতিৰ যোগেদি কিছুমান সঠিক ভুল
দৰ্শাব লাগিব। উপযুক্ত তথ্য-পাতিৰে তেনেকুৱা ভুল ন্যায়ালয়ৰ আগত
দেখুৱালেহে উক্ত ন্যায়ালয়ে কোম্পানীৰ হিচাপ পত্ৰ বেলেগ অডিট
নিযুক্তি দি আকৌ পৰীক্ষা কৰাব পাৰে।
এজন চাৰ্টাৰ্ড একাউণ্টে হিচাপ-পত্ৰ পৰীক্ষা কৰাৰ পিছত আৰু সে
হিচাপ শুদ্ধ হৈছে বুলি প্ৰমাণ পত্ৰ দিয়াৰ পিছত প্ৰকৃত ভুল তথ্যপাতি
যোগেদি প্ৰমাণ নকৰালৈকে হিচাপ শুদ্ধ আছে বুলি বিবেচিত হ'ব।

৭। ওপৰত ৪নং দফাত বিতৰণ যোগ্য উপৰঞ্চি উলিওৱাত নিম্নলিখি
খৰচ বাদ দিব লাগিব।
(ক) আয়কৰ আইনমতে আৰু আয়কৰ বিভাগৰ গ্ৰহণযোগ্য স
সম্পত্তিৰ ব্যৱহাৰ জনিত ক্ষয় (Depreciation)।
(খ) আয়কৰ আইনমতে আৰু আয়কৰ বিভাগৰ গ্ৰহণযোগ্য স
সম্পত্তিৰ সম্প্ৰসাৰণৰ বাবে দিয়া ৰেহাই (Develpoment rebate
Development allownace)।
(গ) চৰকাৰক দিবলগীয়া প্ৰত্যক্ষ কৰ (Direct Tax) ৰ ওপৰত শতক
৮.৫০ ভাগ আৰু সঞ্চিত পুঁজিৰ ওপৰত শতকৰা ৬ ভাগ।

৮। লাভৰ পৰিমাণৰ পৰা ওপৰত উল্লেখ কৰি অহা খৰচ বাদ দি বিতৰণ যোগ্য লাভৰ (Available surplus) শতকৰা ৬০ ভাগ বোনাচ সৰ্বোচ্চ পৰিমাণ বুলি গণ্য কৰা হ'ব।

৯। বোনাচৰ সৰ্বমুঠ পৰিমাণ উলিয়াই ইয়াক গোটেই শ্ৰমিকৰ বছেৰেকীয়া সৰ্বমুঠ উপাৰ্জনেৰে হৰণ কৰিলে যি অংক থাকিব সেই অংকই হ'ব বোনাচৰ হাৰ। এই হাৰে প্ৰতি টকাত কিমান বোনাচ তাকেই সূচাব আৰু উলিওৱা অংকক ১০০ৰে পূৰণ কৰিলে শতকৰা হাৰ হ'ব।

১০। আইনমতে কেনেকুৱা বোনাচৰ হাৰ নিৰ্ধাৰিত হয় তাৰ এটি চমু আভাস উদাহৰণৰ যোগে দিব পাৰি। হিচাপ আৰম্ভ কৰাৰ আগতেই বেলেঞ্চ ছিটৰ পৰা কিছুমান তথ্য উলিয়াব লগীয়া হয়। যেনে ঃ

(ক) বছৰৰ আৰম্ভণীতে প্ৰাপ্ত মূলধনৰ পৰিমাণ।

(খ) বছৰৰ আৰম্ভণীতে সঞ্চিত পুঁজিৰ পৰিমাণ।

(গ) শ্ৰমিকসকলৰ গোটেই বছৰৰ মুঠ উপাৰ্জন।

(ঘ) লাভ-লোকচানৰ খতিয়ানত দেখুৱা লাভৰ পৰিমাণ।

ধৰা হওক ঃ-

| | |
|---|---|
| (ক) কোম্পানীৰ মূলধন | ১০,০০,০০০ টকা |
| (খ) সঞ্চিত পুঁজি | ৩,০০,০০০ টকা |
| (গ) মুঠ উপাৰ্জন | ৮৫,০০,০০০ টকা |
| (ঘ) লাভ | ৪৫,০০,০০০ টকা |

**বোনাচৰ হাৰ ঃ**

| | |
|---|---|
| লাভ (লাভ-লোকচানৰ) খতিয়ানমতে | ৪৫,০০,০০০ টকা |
| সম্পত্তিৰ ব্যৱহাৰ জনিত ক্ষয় | ৭৫,০০০ টকা |
| | ৪৪,২৫,০০০ টকা |
| সম্প্ৰসাৰণ ৰেহাই | (-) ৬০,০০০ টকা |
| | ৪৩,৬৫,০০০ টকা |
| প্ৰত্যক্ষ কৰ (অনুমানিক) | (-) ১৭,০০০ টকা |
| | ২৬,৬৫,০০০ টকা |

| | |
|---|---|
| মূলধনৰ ৮.৫০% | (-) ৮৫,০০০ টকা |
| | ২৫,৮০,০০০টকা |
| সঞ্চিত পুঁজিৰ ৪% | (-) ১৮,০০০ টকা |
| | ২৫,৬২,০০০ টকা |

| | |
|---|---|
| এতেকে বিতৰণ যোগ্য লাভ | = ২৫,৬২,০০০ টকা |
| আৰু বোনাচৰ সৰ্বমুঠ পৰিমাণ | |
| শতকৰা ৬০ ভাগ হিচাপে | = ১৫,৩৭,২০০ টকা |
| শতকৰা বোনাচৰ পৰিমাণ | = ১৫,৩৭,২০০ × ১০০ টকা |
| | = ৮৫,০০,০০০ টকা |
| | = ১৮.০৮% |

১১। ১০ দফা মতে বিতৰণযোগ্য লাভ উলিয়াওঁতে শতকৰা ৮.৩৩ ভাগতকৈ কম হাৰ পালেও শ্ৰমিকসকলে নিম্নতম বোনাচ অৰ্থাৎ নিজ উপাৰ্জনৰ ওপৰত শতকৰা ৮.৩৩ ভাগ বোনাচ পাব।

এনেকুৱা হিচাপত বোনাচৰ শতকৰা ২০ ভাগৰ ওপৰত ওলালে বোনাচ উচ্চতম হাৰত অৰ্থাৎ নিজ উপাৰ্জনৰ শতকৰা ২০ ভাগত সীমাবদ্ধ থাকিব।

১২। শতকৰা ৮.৩৩% ভাগ বোনাচ দিওঁতে ১০নং পৰিচ্ছেদমতে হিচাপ কৰা হাৰতকৈ যদি বেছিকৈ দিবলগীয়া হয় তেনেহ'লে এই টকা বছৰৰ লাভৰ পৰা মালিকে কাটি থ'ব পাৰিব আৰু হিচাপ কৰা টকা শতকৰা ২০ ভাগ দি ৰাহী হ'লে পৰৱৰ্তী বছৰৰ লাভৰ সৈতে যোগ (ৰাহী) দিয়া হৈছে।

১৩। শ্ৰমিক এজন বছৰটোত কমেও ৩০ দিন কাম কৰিলেহে বোনাচ পোৱাৰ যোগ্য বুলি বিবেচিত হ'ব।

১৪। দৰমহাৰ সৈতে ছুটী নাইবা দুৰ্ঘটনাজনিত অসুস্থতাৰ ছুটী ইত্যাদি কাম কৰা দিন হিচাপে গ্ৰাহ্য হ'ব।

১৫। কোম্পানীৰ হিচাপ নিকাচৰ শেষ তাৰিখৰ পৰা আঠ মাহৰ ভিতৰত বোনাচ আদায় দিব লাগিব।

১৬। বোনাচৰ পৰিমাণ অকল কাম কৰা দিনৰ ওপৰত হিচাপ হ'ব।

১৭। নিয়ম অনুসৰি বোনাচ নেপালে শ্ৰমিকে চৰকাৰৰ ওপৰত দৰ্খাস্ত কৰিব লাগিব আৰু চৰকাৰে তদন্ত কৰি শ্ৰমিকৰ দাবী ন্যায্য হৈছে বুলি থিৰাং কৰাৰ পাছত বাকীজাই কেচৰ যোগেদি বোনাচ আদায় কৰিব।

এনেকুৱা দৰ্খাস্ত বোনাচ প্ৰাপ্য হোৱাৰ দিনৰ পৰা এক বছৰৰ ভিতৰত কৰিব লাগিব।

১৮। বোনাচ হাৰ লৈ বিবাদ হ'লে সেই বিবাদ শিল্প আদালতত মীমাংসা হ'ব।

বোনাচৰ আইনৰ ধাৰা বিলাকৰ পৰা এটা কথা স্পষ্টকৈ বুজিব পাৰি যে বোনাচ পৰিমাণ উলিওৱাৰ অংক অত্যন্ত জটিল। বোনাচ আইন, আয়কৰ আইন আৰু হিচাপ পত্ৰ সম্পৰ্কে যথেষ্ট অভিজ্ঞতা নাথাকিলে এই কামত হাত দিয়া অনুচিত হ'ব।